এক অনাকাংক্ষিত ৰং
--------------------------------

মোৰ দাপোণখনৰ
স্ফটিক সদৃ সপ্ৰতিবিম্ববোৰ
লাহে লাহে অস্পষ্ট হৈ উঠিল।
নিকা কাপোৰ এটুকুৰ লৈ
বাৰম্বাৰ মোহাৰিলো দাপোণখন।

চৌপাশৰ মৰমবোৰ
পৈণত হ'ল।
আপোন আপোন আকাশত
দেউকা মেলি উৰি যোৱাৰ
উড়ানৰ শব্দ।

সময় সলনি হ'ল,
বুজিও নুবুজাৰ
চংবোৰ এৰিবৰ হ'ল,
জীৱনটো নতুন ৰূপত
জীয়াই থাকিবলৈ সিকিবৰ হ'ল,
এখন নতুন দাপোণ আনিবৰ হ'ল
কাৰণ ...........
মোৰ পুৰণি দাপোণখন
ধুৰলী হ'ল।
নিকা কাপোৰেৰে বহুবাৰ মোঁহাৰিলো...
একো সলনি নহল,
মোৰ মনৰ
দাপোণখন ধুৰলী হ'ল,

দাপোণখন ধুৱলী হ'ল।।
-----------  -------------------------------

খৰমৰাই শুকান পাতবোৰ উৰুৱাই নিয়া
ফাগুনী বতাহজাকে, লঠঙা গছ্‌বোৰত,
গোপনে সেউজীয়া ৰং কণ সানি থৈ গ'ল।
লৈ গ'ল ধূলিয়ৰী পূৰণী সাজ,
আৰু লগতেই কৈ গ'ল
"বহাগ তুমি আমন্ত্ৰিত "।

ঋতু বসন্তত,আকৌ এবাৰ
নতুন ৰূপেৰে সাজিছে-কাছিছে প্ৰকৃতিয়ে।
গছে গছে কপৌফুল,
আকাশ-বতাহ পুনৰ সূৱাসিত
তগৰ,মালতীৰ  সূৱাসেৰে।
বছৰেকৰ মুৰত আকৌ এবাৰ
মাকোৰ খিটখিট শব্দ।
হয়তো,এইবাৰ চেনেহী জনীৰ  বিহুৱান খনে
চেনাইৰ  হিয়াঁ খন বাৰুকৈয়েই কপাই তুলিব।

পিছে বিহুৱানৰ লগতে মুখাখনো বৈছানে?
এই বিশ্বমাৰী ক'ভিদৰ পৰা
প্ৰিয়জনক যে বছাব লাগিব!!!
শিকাইছানে বাৰু প্ৰতিজন অসমীয়াক?
পাত,মূগা,গামোছাৰে তৈয়াৰ কৰা মূখা খননো
কেনেকৈ পিন্ধিব লাগে?
জাকে জাকে ডেকা গাভৰুৰ বিহুৰ আখৰাৰ,
আৰু বিৰ দি বাট নোপোৱা বিহুতলিৰ ছবিৰে

দূৰদৰ্শ  ন্যামগমাই আছে।

পিছে সাতবিহু পাৰ হ'ল কি ন'হল,
চৌদিশে পুনৰ হাহাঁকাৰ।
গাঁৱে-ভূঞে,  চহৰে-নগৰে
আকৌ এবাৰ ক'ভিদত মৃত্যুৰ কিৰিলি,
মৃতকৰ শৱৰে ঠাহ খোৱা শ্মশান ঘাট,
নিঃসংগতাৰ চকুলোৰে তিতা আচঁলৰ আগ।

মনে মনে কথা এষাৰ ভাবি,
বৰ বিপাঙত পৰিছো।
কোনে দিলে বাৰু?
আমাক এই "জীৱ শ্ৰেষ্ঠৰ" প্ৰমাণ পত্ৰখন?
কেতিয়ানো বুজি পাম?
আমাৰ ভংগুৰ জীৱনত
জীৱন্ত  মৰমৰ মূল্য?

কাবৌ কৰিছো,
এইবাৰ বহাগী বহাগী বতাহ কণ
নিৰবে হৃদয়তে অনুভব কৰাছোন।
হয়তো, কেতবোৰ চকুলো
চকুতেই সামৰি থ'ব পৰা যাব।

লনী দত্ত।